# প্ৰকৃতি আৰু নাৰী ঃ প্ৰকৃতি নাৰীবাদৰ আধাৰত মামণি ৰয়ছম গোস্বামীৰ ‘নীলকণ্ঠী ব্ৰজ’

*দীপা ভাগৱতী*

**০.০ অৱতৰণিকা**

সৃষ্টিশীল সাহিত্যই বিভিন্ন ৰূপত প্ৰকাশ লাভ কৰে। সাহিত্যৰ তেনে এটা শাখা হৈছে উপন্যাস। আধুনিক সময়ত বাস্তৱবাদী দৃষ্টিভংগী, যুক্তি আৰু আবেগৰ সংমিশ্ৰণেৰে অসমীয়া সাহিত্যত বহুতো উপন্যাসৰ সৃষ্টি হৈছে। এই ক্ষেত্ৰখনত পৰিচিতি লাভ কৰা নতুনত্বৰ বাৰ্তাবাহী ঔপন্যাসিক হৈছে মামণি ৰয়ছম গোস্বামী। কাহিনী পটভূমি, আংগিক সকলোতে ব্যতিক্ৰমধৰ্মিতাৰ সূচনা কৰা মামণি ৰয়ছম গোস্বামীৰ উপন্যাস সৰ্বজন সমাদৃত। তেওঁৰ প্ৰতিখন উপন্যাসতেই পোৱা যায় ব্যতিক্ৰমী প্ৰকাশভংগী আৰু আংগিকৰ চমৎকাৰিত্ব। তেনে নতুনত্বৰ সোৱাদ থকা এখন উপন্যাস হৈছে ‘নীলকণ্ঠী ব্ৰজ’। বৈধব্য যন্ত্ৰণাৰ মাজত ছট্‌ফটাই থকা সৌদামিনীৰ মানসিক দিশৰ চিত্ৰণৰ মাজেৰে ঔপন্যাসিকে প্ৰকৃতি আৰু নাৰীৰ একাত্মীয়তাৰ প্ৰকাশ কৰিছে। তেনে কৰিবলৈ যাওঁতে উপন্যাসখনত প্ৰকৃতি নাৰীবাদ তথা পাৰিপাৰ্শ্বিক নাৰীবাদৰো প্ৰভাৱ স্পষ্ট হৈ উঠিছে। নাৰী আৰু প্ৰকৃতিৰ সম্পৰ্কৰ ভেটিত গঢ়ি উঠা প্ৰকৃতি নাৰীবাদৰ জৰিয়তে নাৰীক প্ৰকৃতিৰ লগত তুলনা কৰি পুৰুষতান্ত্ৰিক সমাজত নাৰী আৰু প্ৰকৃতিয়ে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ চিত্ৰায়ণ কৰা হয়। এইক্ষেত্ৰত ‘নীলকণ্ঠী ব্ৰজ’ উপন্যাসখনো ব্যতিক্ৰম নহয়। সৌদামিনী আৰু ব্ৰজধামৰ প্ৰাকৃতিক পৰিৱেশক উপন্যাসত সাদৃশ্যৰ ভিত্তিত উপস্থাপন কৰিছে। মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত প্ৰকাশিত প্ৰকৃতি আৰু নাৰীক প্ৰকৃতি নাৰীবাদৰ আধাৰত এই প্ৰবন্ধত আলোচনা কৰা হ’ব। কাৰণ প্ৰকৃতি নাৰীবাদৰ জৰিয়তেহে প্ৰকৃতি আৰু নাৰীৰ সামগ্ৰিক স্থিতি তথা সামাজিক অৱস্থিতি সম্পৰ্কীয় অধ্যয়ন সম্পূৰ্ণ হয়।

**০.১ অধ্যয়নৰ পৰিসৰ ঃ**

অধ্যয়নৰ পৰিসৰত ‘প্ৰকৃতি নাৰীবাদ’ৰ পৰিচয়সূচক বৰ্ণনা আগবঢ়াই মামণি ৰয়ছম গোস্বামীৰ ‘নীলকণ্ঠী ব্ৰজ’ উপন্যাসক ‘প্ৰকৃতি নাৰীবাদ’ৰ আধাৰত আলোচনা কৰা হৈছে। এনেদৰে আলোচনা কাৰবলৈ যাওঁতে মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু সাহিত্যকৃতিক চমুকৈ বৰ্ণনা কৰা হৈছে।





**০.২ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

— আধুনিক অসমীয়া উপন্যাসত পাৰিপাৰ্শ্বিক জগতে কেনেদৰে ভূমুকি মাৰিছে সেই সম্পৰ্কে অধ্যয়ন কৰা।

— প্ৰকৃতি আৰু নাৰীৰ পাৰস্পৰিক সম্পৰ্কৰ ভেটিত ‘নীলকণ্ঠী ব্ৰজ’ উপন্যাসৰ অধ্যয়ন কৰা।

— পুৰুষতান্ত্ৰিক সমাজত নাৰী আৰু প্ৰকৃতিৰ ওপৰত চলা অত্যাচাৰক সাহিত্যিক দৃষ্টিভংগীৰে অধ্যয়ন কৰা।

— মানৱ জীৱন আৰু প্ৰাকৃতিক পৰিৱেশৰ মাজৰ সম্পৰ্ক নিৰূপণৰ ক্ষেত্ৰত বিষয়বস্তুৰ যথেষ্ট গুৰুত্ব আছে।

**০.৩ অধ্যয়নৰ পদ্ধতি ঃ**

উল্লিখিত বিষয়ৰ অধ্যয়নৰ ক্ষেত্ৰত বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ লগতে প্ৰকৃতি নাৰীবাদ তথা নাৰীবাদী দৃষ্টিভংগীৰ সহায় লোৱা হৈছে।

**১.০ প্ৰকৃতি নাৰীবাদৰ ধাৰণা ঃ**

ইক’ফেমিনিজিম অৰ্থাৎ প্ৰকৃতি নাৰীবাদ হৈছে নাৰীবাদৰ এটা শাখা, য’ত মানুহ আৰু প্ৰকৃতিৰ মাজৰ সম্পৰ্ক বিশ্লেষণ কৰিবলৈ যাওঁতে প্ৰাকৃতিক ধাৰণাৰ লগত নাৰীবাদী দৃষ্টিভংগীক সংযোগ কৰি অধ্যয়ন কৰা হয়। ১৯৭০ চনত মহিলা আৰু প্ৰকৃতিৰ মাজৰ সম্পৰ্কৰ বৰ্ধিত চেতনাৰ সৈতে এক সামাজিক আৰু ৰাজনৈতিক আন্দোলন হিচাপে ইকোফেমিনিজিমৰ উদ্ভৱ হৈছিল। অসমীয়াত ইয়াৰ প্ৰতিশব্দ হিচাপে প্ৰকৃতি নাৰীবাদ বা পাৰিপাৰ্শ্বিক নাৰীবাদ শব্দটো ব্যৱহাৰ কৰা হয়। প্ৰকৃতি নাৰীবাদীসকলে প্ৰকৃতিৰ অৱদমন আৰু মহিলাৰ শোষণৰ মাজত এটা সম্পৰ্ক বিচাৰি পায়, সেই সম্পৰ্কক সাহিত্যৰ জৰিয়তে প্ৰকাশ কৰিবলৈ যাওঁতে সাহিত্যৰ মাজত এই ধাৰণাৰ প্ৰৱেশ ঘটে। ‘ইকো’ফেমিনিজিম শব্দটো প্ৰথমতে ফ্ৰান্সৰ নাৰীবাদী লেখক Francoise d' Eaubonne-য়ে তেওঁৰ কিতাপ **'Feminism or Death'**-ত ১৯৭৪ চনত ব্যৱহাৰ কৰিছিল।”[১] প্ৰকৃতি নাৰীবাদে পাৰিপাৰ্শ্বিক আন্দোলন আৰু নাৰীবাদ এই দুয়োটা ধাৰণাৰ মাজেৰে বিকাশ লাভ কৰিছে। প্ৰকৃতি নাৰীবাদক দাৰ্শনিক আৰু ৰাজনৈতিক তত্ত্ব তথা আন্দোলন হিচাপে প্ৰকৃতি আৰু নাৰীক একত্ৰিত কৰি পুৰুষপ্ৰধান সমাজে প্ৰকৃতি আৰু নাৰীৰ ওপৰত চলোৱা আধিপত্যৰ বিষয়ে অধ্যয়ন কৰে।

প্ৰকৃতি নাৰীবাদে সংস্কৃতি, অৰ্থনীতি, ধৰ্ম, ৰাজনীতি, সাহিত্যত মহিলা আৰু প্ৰকৃতিৰ মাজৰ সম্পৰ্ক অন্বেষণ কৰে। লগতে প্ৰকৃতিৰ অত্যাচাৰ আৰু মহিলাৰ অত্যাচাৰৰ মাজৰ সামঞ্জস্যবোৰ অধ্যয়ন কৰে। এনেদৰে অধ্যয়ন কৰিবলৈ যাওঁতে পুৰুষপ্ৰধান সমাজে মহিলা আৰু প্ৰাকৃতিক সম্পত্তি হিচাপে চোৱা, পুৰুষে কেনেদৰে মহিলা আৰু প্ৰকৃতিৰ ওপৰত আধিপত্য বিস্তাৰ কৰে, মহিলা আৰু প্ৰকৃতিক কেনেদৰে পণ্য সামগ্ৰীৰূপে বিবেচনা কৰে আদি দিশ সম্পৰ্কে অধ্যয়ন কৰে।

প্ৰকৃতি নাৰীবাদে এক সাহিত্য অধ্যয়নৰ দৃষ্টিভংগী হিচাপে পৰিৱেশ, মহিলা আৰু পৃথিৱীৰ মাজৰ সম্পৰ্ক সাহিত্যৰ মাজেৰে অনুশীলন কৰে। মহিলাৰ শোষণ আৰু প্ৰাকৃতিক পৰিৱেশৰ ধ্বংস পুৰুষপ্ৰধান সমাজত সহজে দৃষ্টিগোচৰ হোৱা সমস্যাৰূপে বিবেচনা কৰি সাহিত্যৰ মাজেৰে সমাধানৰ চেষ্টা কৰে। পুৰুষসকলে মহিলাক নিজৰ লাভ আৰু আনন্দৰ বাবে ব্যৱহাৰ কৰা কাৰ্যৰ বিৰোধিতা কৰে।

সাধাৰণ অৰ্থত ক'বলৈ হ'লে প্ৰকৃতি নাৰীবাদ হৈছে এক আন্দোলন — য'ত প্ৰাকৃতিক সম্পদৰ অৱক্ষয় আৰু শোষণ প্ৰকৃতিৰ উৎস আৰু সৌন্দৰ্যৰ লগতে মহিলাৰ উৎপীড়ন আৰু দমনৰ বিষয়ে অধ্যয়ন কৰাৰ লগতে পুৰুষপ্ৰধান সমাজত নাৰী আৰু পুৰুষৰ সমতাৰ অধিকাৰ দাবী কৰে।

**২.০ মামণি ৰয়ছম গোস্বামী জীৱন আৰু সাহিত্যকৃতি ঃ**

মামণি ৰয়ছম গোস্বামী অসমীয়া সাহিত্য জগতৰ এটা চিনাকি নাম। ১৯৪২ চনৰ ১৪ নৱেম্বৰত গুৱাহাটীত জন্মগ্ৰহণ কৰা সাহিত্যিকগৰাকী ইন্দিৰা গোস্বামী নামেৰেও পৰিচিত। মাত্ৰ ১৩ বছৰ বয়সতে গল্প ৰচনাৰ জৰিয়তে মামণি ৰয়ছম গোস্বামীয়ে সাহিত্যৰ জগতত প্ৰৱেশ কৰিছিল। সত্তৰৰ দশকৰ পৰা তেওঁ উপন্যাস ৰচনাত অধিক মনোনিৱেশ কৰে আৰু 'চেনাবৰ সোঁত' উপন্যাসৰ পৰা 'য়েংফাখ্ৰী তহচিলদাৰৰ তামৰ তৰোৱাল'লৈকে একেৰাহে উপন্যাস ৰচনা কৰি যায়। তেওঁৰ আন আন সাহিত্যকৃতিসমূহ হৈছে—

**২.১ চুটিগল্প**

*চিনাকি মৰম* (১৯৬২), *কইনা* (১৯৬৬), *হৃদয় এক নদীৰ নাম* (১৯৯০), *মামণি ৰয়ছম গোস্বামীৰ নিৰ্বাচিত গল্প* (১৯৯৮), *মামণি ৰয়ছম গোস্বামীৰ প্ৰিয় গল্প* (১৯৯৯)।

**২.২ উপন্যাস**

*চেনাবৰ সোঁত* (১৯৭২), *নীলকণ্ঠী ব্ৰজ* (১৯৭৬), *অহিৰণ* (১৯৮০), *মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস* (১৯৮০), *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* (১৯৮৮), *সংস্কাৰ, উদয়ভানুৰ চৰিত্ৰ ইত্যাদি* (১৯৮৯), *ঈশ্বৰ জখমী যাত্ৰী আৰু অন্যান্য যাত্ৰা* (১৯৯০), *তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা* (১৯৯৪), *ভিক্ষাৰ পাত্ৰ ভাঙি* (১৯৯৪), *দাশৰথিৰ খোজ* (১৯৯৯), *ছিন্নমস্তাৰ মানুহটো* (২০০১), *য়েংফাখ্ৰী তহচিলদাৰৰ তামৰ তৰোৱাল* (২০০৯), *মামণি ৰয়ছম গোস্বামীৰ উপন্যাস সমগ্ৰ,* ১ম খণ্ড (১৯৯৮) আৰু *মামণি ৰয়ছম গোস্বামীৰ উপন্যাস সমগ্ৰ,* ২য় খণ্ড (২০১১)

**২.৩ আত্মজীৱনী ৰচনা**

*আধা লেখা দস্তাবেজ* (১৯৮৮), *দস্তাবেজৰ নতুন পৃষ্ঠা* (২০০৭), *অপ্সৰা গৃহ* (২০০৭)

**২.৪ গৱেষণা গ্ৰন্থ**

*Ramayan from Ganga to Brahmaputra* (১৯৯৬)

**২.৫ জীৱনীমূলক ৰচনা**

*মহীয়সী কমলা* (১৯৯৫), *মা* (২০০৮)





**২.৬ কবিতা সংকলন ঃ**

*Pain and Flesh* (২০০৭)

জীৱনৰ শেষ সময়লৈকে সাহিত্য চৰ্চাকে ব্ৰত হিচাপে পালন কৰা মামণি ৰয়ছম গোস্বামীয়ে ২০১১ চনৰ ২৯ নৱেম্বৰত শেষ নিশ্বাস ত্যাগ কৰিছিল।

**৩.০ *নীলকণ্ঠী ব্ৰজ* উপন্যাসৰ কাহিনী আৰু বিশ্লেষণ ঃ**

বিংশ শতিকাৰ উল্লেখযোগ্য ঔপন্যাসিক মামণি ৰয়ছম গোস্বামীৰ ১৯৭৬ চনত ৰচিত এখন বাস্তৱ অভিজ্ঞতা মিশ্ৰিত উপন্যাস হৈছে 'নীলকণ্ঠী ব্ৰজ'। মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ মাজেৰে সমাজৰ জীয়া ছবি প্ৰকাশিত হয়। নাৰী জীৱনৰ দুখ-যন্ত্ৰণাৰ ছবিখন তেওঁৰ ৰচনাত অতি সুলভ। 'নীলকণ্ঠী ব্ৰজ' তাৰ ব্যতিক্ৰম নহয়। উপন্যাসখনৰ প্ৰধান নায়িকা হৈছে সৌদামিনী। ভাগ্যৰ পাকচক্ৰত পৰি বিয়াৰ সাত বছৰৰ পাছতেই সৌদামিনীয়ে বিধৱাৰ সাজ পিন্ধিবলগীয়া হৈছিল। তাইৰ মাক-দেউতাকেও যেন বিচাৰিছিল বিধৱাৰ কঠোৰ ব্ৰত পালন কৰি তাই জীৱন অতিবাহিত কৰাটো। কাৰণ ৰক্ষণশীল উচ্চ হিন্দু সমাজত সেয়াই নিয়ম আছিল। এনেসময়তে সৌদামিনীয়ে এজন খ্ৰীষ্টান যুৱকৰ প্ৰতি আসক্তি অনুভৱ কৰাত পৰিয়ালটো বাৰুকৈয়ে চিন্তিত হৈ পৰিছিল। তাইৰ মনৰ মাজতে লাহে লাহে পোখা মেলা প্ৰেমৰ ভাবনাক আঁতৰ কৰিবৰ বাবে মাক-দেউতাকে সৌদামিনীক হিন্দুৰ পবিত্ৰ স্থান ব্ৰজধামলৈ লৈ গ'ল। ব্ৰজধামত ধৰ্মৰ নামত বিধৱাসকলৰ ওপৰত চলা ব্যভিচাৰ অত্যাচাৰ আদিয়ে সৌদামিনীৰ প্ৰতিবাদী মনটোক জোকাৰি যায়। তাই যেন ব্যভিচাৰৰ তীব্ৰ বিৰোধিতা কৰিলে। সৌদামিনীয়ে সমাজত সধৱাৰ জীৱন-যাপন কৰিব বিচাৰিছিল; কিন্তু সমাজৰ বাধা আৰু জৈৱিক প্ৰেমৰ তাড়নাত অৱশেষত 'যমুনা নদী'ত পৰি আত্মহত্যা কৰে। উপন্যাসখনৰ আন এটি নাৰী চৰিত্ৰ হৈছে 'শশী', সৰুতে আত্মীয়স্বজনক হেৰুৱাই শশীয়ে নিৰাপত্তাৰ বাবে মন্দিৰৰ পূজাৰী আলমগড়ীৰ লগত থাকে। আলমগড়ীৰ মৃত্যুৰ পাছত তাই নিৰাশ্ৰয়ী হয় আৰু এজন পাণ্ডাৰ পৰা অসৎ প্ৰস্তাৱ পায়। সেয়া হ'লেও তাইৰ আত্মবল আৰু সততাৰ বাবে সতীত্বত কোনো দাগ লগা নাছিল। উপন্যাসখনৰ কাহিনী বিকাশত সহায় কৰা এটা নাৰী হৈছে 'মৃণালিনী' যি মাক-দেউতাকৰ সৈতে ব্ৰজধামলৈ শান্তি বিচাৰি গৈছিল। এখন সুখৰ সংসাৰৰ আশা কৰিছিল তাই, কিন্তু মাক-পিতাকৰ অমনোযোগিতাৰ বাবে অবিবাহিত হৈ জীৱন কটাবলগা হয় মৃণালিনীয়ে। হৃদয়ত তীব্ৰ ক্ষোভ লৈ থকা মৃণালিনীয়ে 'বিহাৰী কুঞ্জ মন্দিৰ বিক্ৰী হৈ যোৱাৰ পাছত অৰ্থৰ অভাৱত মন্দিৰৰ দুৱাৰে দুৱাৰে ভিক্ষা কৰি হ'লেও পিতৃ-মাতৃক সেৱা কৰিছিল।

উপন্যাসখনৰ কাহিনীয়ে ব্ৰজধামৰ মহিলাৰ অসহায় ৰূপটোক দাঙি ধৰে। নাৰী হিচাপে যেন কোনোটো চৰিত্ৰই নিৰাপদ নহয়। সমাজৰ ৰক্ষণশীলতা আৰু পুৰুষপ্ৰধান সমাজত নাৰীৰ নিম্ন স্থানে উপন্যাসখনৰ কাহিনীলৈ নাৰীবাদৰ সুৰ কঢ়িয়াই অনাত সহায় কৰিছে। প্ৰতিটো নাৰী চৰিত্ৰই নিজ নিজ ধৰণেৰে প্ৰচলিত সমাজ ব্যৱস্থা আৰু মানুহৰ অমানৱীয় মানসিকতাৰ বিৰুদ্ধে প্ৰতিবাদী হৈ উঠিছে।

### ৩.১ *নীলকণ্ঠী ব্ৰজ* আৰু প্ৰকৃতি নাৰীবাদ ঃ

নাৰী আৰু পুৰুষৰ সমতাৰ অধিকাৰেই হৈছে নাৰীবাদ। এই নাৰীবাদৰ এটা ভাগ হৈছে প্ৰকৃতি নাৰীবাদ; য'ত প্ৰকৃতি আৰু নাৰীক একাত্ম ৰূপত তুলি ধৰি পুৰুষতান্ত্ৰিক সমাজত প্ৰকৃতিৰূপী নাৰীৰ সমতা আৰু প্ৰকৃতি সংৰক্ষণৰ পোষকতা কৰা হয়। মামণি ৰয়ছম গোস্বামীৰ 'নীলকণ্ঠী ব্ৰজ' উপন্যাসত নাৰীক প্ৰকৃতিৰ অংশ ৰূপত নহয়, প্ৰকৃতি ৰূপেই দাঙি ধৰিছে। উপন্যাসখনত নাৰী আৰু প্ৰকৃতিৰ দুয়োটাৰে প্ৰতি লেখকে সহমৰ্মিতা প্ৰকাশ কৰিছে।

তৰুণী বিধৱা সৌদামিনীক মাক-দেউতাকে যেতিয়া মানসিক শান্তিৰ বাবে আৰু খ্ৰীষ্টান যুৱকজনক মনৰ পৰা ত্যাগ কৰি পূণ্যাৰ্জনৰ বাবে বৃন্দাবনলৈ লৈ আহিছিল তেতিয়া সৌদামিনীয়ে বৃন্দাবনত বিধৱাসকলে কটোৱা অভাৱী যন্ত্ৰণাদায়ক জীৱনক ওচৰৰ পৰা দেখিছিল। খাদ্যৰ অভাৱত কংকালময় শাৰীৰিক অৱয়বৰ সেই মহিলাসকলে ভিক্ষা কৰা দেখিছিল। সিহঁতে খাদ্যৰ বাবে সৌদামিনীৰ ওচৰত অনুৰোধ কৰিছিল "আন এজনীয়ে তাইৰ মুখৰ ওচৰলৈ আহি ক'লে ঃ আমাক খাবৰ বাবে কিছু দান কৰি যোৱা তোমালোক খাবৰ বাবে জীয়াই আছা, আমাক জীয়াই থাকিবৰ বাবে খাব দিয়া।"[২] (নী.ব্ৰ. পৃ-১১৭) খাদ্যৰ অভাৱত সিহঁতৰ দেহ অস্থি চৰ্মসাৰ যেন হৈছিল, চকু দুটা অদ্ভুত ধৰণেৰে ক'ৰবাত সোমোৱা আছিল। তেওঁলোকৰ এই শাৰীৰিক অৱস্থাক ঔপন্যাসিকে প্ৰকৃতিৰ লগত তুলনা কৰিছে। ক্ৰমে শুকাই অহা ক্ষীণ ডালযুক্ত গছৰ লগত তুলনা কৰিছে। "সৌদামিনীয়ে দুয়োকাষে চালে, ধূলিৰে ধূসৰিত কাঁইটীয়া জোপোহা আৰু কাবুলী ৰমণাৰ জোপোহাৰে ভৰি থকা হাবিখন। কাবুলী ৰমণাৰ ঠানিবোৰ মাজৰ কাঁইটৰ দৰে ঠৰঙা আৰু ইয়াৰ বেঙুনীয়া ফুলবোৰ কোনোবাই গছত গুঁজি থোৱাৰ দৰে দেখা গৈছে।" [৩] (নী. ব্ৰ. পৃ-১০)

পিতৃতান্ত্ৰিক সমাজত প্ৰকৃতি আৰু নাৰী কেনেদৰে অৱদমিত হয় সেয়া উপন্যাসখনত সুন্দৰকৈ প্ৰকাশ পাইছে। বৃন্দাবনৰ বিধৱাসকলৰ অৱস্থা অতি শোচনীয় আছিল। তেওঁলোক পাণ্ডাসকলৰ দ্বাৰা শাৰীৰিক আৰু মানসিকভাৱে নিৰ্যাতিত হৈ আহিছিল। নাৰীসকলৰ দৰে প্ৰকৃতিয়ো সময়ে সময়ে পুৰুষৰ পৰা বিধৱাসকলৰ দৰে অত্যাচাৰৰ সন্মুখীন হৈ আছিল। যেনেদৰে বেপাৰীয়ে জন্তু ক্ৰয় কৰাৰ আগত পৰীক্ষা কৰে, ঠিক তেনেদৰে তৰুণ বিধৱাসকলক উলংগ কৰি সিহঁতৰ শৰীৰক পৰীক্ষা কৰিছিল পাণ্ডাসকলে। টকা, সোণ, ৰূপ যি পাইছিল সকলো কাঢ়ি লৈ গৈছিল। অন্যহাতেদি, সৌদামিনীয়ে মাকৰ সৈতে বৃন্দাবনৰ মাজত ঘূৰি ফুৰোঁতে হঠাতে এদিন মন কৰিলে যে যমুনা নদীৰ পানী কমি আহিছে আৰু মাজে মাজে বালিচৰ দেখা গৈছে। ইয়াৰ মাজেৰে লেখকে বৃন্দাবনৰ বিধৱাসকলৰ আহাৰৰ অভাৱত ক্ৰমে শুকাই অহা শৰীৰৰ ইংগিত দিব বিচাৰিছে। যেনেদৰে বৃষ্টিহীনতা আৰু অতিবৃষ্টিৰ বাবে পৃথিৱীৰ প্ৰাকৃতিক পৰিঘটনাৰ সলনি হৈছে ঠিক তেনেদৰেই এচাম অমানৱীয় লোকৰ বাবেই যে ক্ৰমে নাৰীসকল মৃত্যুৰ দিশে গতি কৰিছে তাকে লেখকে প্ৰতীকধৰ্মতাৰে প্ৰকাশ কৰিছে। বৃন্দাবনৰ আন এগৰাকী তৰুণ বিধৱাক যেতিয়া সৌদামিনীয়ে প্ৰশ্ন কৰিছিল যে তাই স্বামীৰ স্মৃতি পাহৰিব বিচাৰেনে? তেতিয়া তাই কৰা আচৰণক লেখকে প্ৰকৃতিৰ বিভিন্ন উপাদানৰ লগত তুলনা কৰিছে এনেদৰে— "চকিত হৰিণীৰ দৰে তাই মূৰ তুলি চালে। নৈৰ কোমল মাটি খহি পৰাৰ দৰে তাই সৌদামিনীৰ বুকুত দোঁ খাই পৰিল।"[৪] (নী.ব্ৰ. পৃ. ১১৬)





বৃন্দাবনৰ প্ৰকৃতিৰ মাজতহে সৌদামিনীয়ে সুখ আৰু আনন্দ বিচাৰি পাইছিল। তাই যেতিয়া চৰণবিহাৰীৰ লগত বৃন্দাবনৰ প্ৰাকৃতিক পৰিৱেশৰ মাজত ঘূৰি ফুৰিছিল তেতিয়া তাই মন্দিৰ দৰ্শন কৰাতকৈ এজোপা ফুল গছৰ তলত বহিহে আনন্দ আৰু শান্তি লাভ কৰিছিল। শান্ত পৰিৱেশটোৱে তাইৰ মনত আনন্দ দিছিল আৰু তাই কিছু সময় সেই পৰিৱেশত অকলে অতিবাহিত কৰিব বিচাৰিছিল। ইয়াৰ মাজেৰে লেখকে নাৰী আৰু প্ৰকৃতিৰ মাজৰ সম্বন্ধক খুব সুন্দৰকৈ দাঙি ধৰিছে। মানৱ সমাজতকৈ সৌদামিনীয়ে প্ৰকৃতিকে মানসিক শান্তিৰ মাধ্যম ৰূপত বিচাৰি লৈছে। "চৰণবিহাৰীয়ে মালা আৰু প্ৰসাদ আনিবলৈ মন্দিৰৰ ভিতৰ সোমাল। আদিত্য টিলাৰ ফুলি থকা সোণাৰু এজোপাৰ তলত সৌদামিনী বহিল। এইখিনিতে বাঁকে বিহাৰীৰ দৰে মানুহৰ হুলস্থূল নাই। সোণাৰুজোপাৰ তলত নীৰৱতাই বিৰাজ কৰিছে। সোণাৰুজোপা ডাল ভৰি ভৰি ফুলিছে আৰু ওপৰত সৌৱা মেঘযুক্ত আকাশ। সৌদামিনীয়ে ভাবিছিল অকলশৰে এইখিনিতে কিছুসময় বহিব, তাইৰ ভাল লাগিব।"[৫] নী.ব্ৰ. পৃ-৪২) পুৱাৰ কোমল সূৰ্যৰ পোহৰ যমুনাৰ বালিত পৰাৰ সময়তে সৌদামিনীয়ে যমুনাৰ বালিত খোজ কাঢ়ি আছিল। সেই সময়তো তাই নিজকে অকলশৰীয়া অনুভৱ কৰিছিল। প্ৰকৃতিহে যেন তাইৰ আজন্মৰ সংগী আছিল। সৌদামিনীৰ মনৰ এনে অনুভৱে প্ৰকৃতি আৰু নাৰীৰ অভিন্ন ৰূপকে প্ৰতিপন্ন কৰে। সৌদামিনীৰ মনৰ মাজত যেতিয়া খেলিমেলি ভাবৰ সৃষ্টি হৈছিল যে তাই খ্ৰীষ্টান প্ৰেমিকজনৰ লগত জীৱন-যাপন কৰিবনে, ৰক্ষণশীল সমাজৰ সিদ্ধান্তক মানি লৈ আন বহুগৰাকী সাধাৰণ বিধৱা তিৰোতাৰ দৰে বৃন্দাবনত দিন কটাব তেতিয়া বৃন্দাবনৰ প্ৰকৃতিয়েও যেন সৌদামিনীৰ মনৰ দৰে অশান্ত হৈ পৰিছিল।

"সৌদামিনীয়ে কৈ গ'ল ঃ মাজতে মই অনাই-বনাই ঘূৰি ফুৰিবলৈ ভাল পাইছিলোঁ। বিশ্বাস কৰক, মই যেন বহু যুগ অতিক্ৰম কৰি এক অচিনাকি যুগত ভৰি দিছোঁ। চব কথাই সলনি হৈ গৈছে। মোৰ আত্মাৰ সৈতে ইয়াত কাৰো সম্বন্ধ নাই। আৰু মোৰ মূৰৰ ওপৰেৰে সেই আকাশখন— সেইখন চাবলৈও মোৰ ভয় হৈছিল। মই সুদীৰ্ঘকাল মোৰ মূৰৰ ওপৰৰ আকাশখন চোৱা নাছিলোঁ। এনেকুৱা অৱস্থাও কাৰোবাৰ হয়— যেতিয়া মানুহে নিজৰ মূৰৰ ওপৰৰ আকাশখন চাবলৈ ভয় কৰে? আপুনি শিল্পী, আপোনাৰ অনুভূতি আছে, মোৰ জৈৱিক স্পৃহা, প্ৰেম, আপুনি বিশ্বাস কৰক সৌ সিদিনালৈকে মই নিজৰ ওপৰতেই গৱেষণা কৰি চাইছোঁ মোৰ জৈৱিক স্পৃহাৰ সেই তৰঙ্গৰাশিৰ কোনো পৰিৱৰ্তন হোৱা নাই, সৌ সিদিনা এহাল দম্পত্তি আহিছিল— সিহঁতে পৰিক্ৰমাৰ পথৰ ডিমৰু এজোপাৰ তলত শুই আছিল। যমুনাৰ পানীত কিহৰ গোন্ধ আছিল সেয়া? যমুনাৰ পানীত সেয়া অস্বাভাৱিক গোন্ধ... কছাইখানাত নতুনকৈ কটা মঙহৰ গোন্ধ.. নহয় কিহৰ যে গোন্ধ আছিল সেয়া... ঠিক যেন বুজাব নোৱাৰি.. বৰ্ণাব নোৱাৰি। আৰু সেই স্বাস্থ্যৱান দম্পতীহাল পৰিক্ৰমাৰ পথৰ ডিমৰুৰ তলত শুই আছিল। মোৰ কি হৈছিল সেই মুহূৰ্তত... এই যমুনাৰ পানীৰ অদ্ভুত গোন্ধ, ডিমৰুৰ তলত সেই দম্পতী... যমুনাৰ বালিত মই বাগৰি ফুৰিব ধৰিলোঁ... এটা সময়ত মোৰ গাৰ কাপোৰ-কানি উচ্ছৃঙ্খল হৈ পৰিল। মোৰ এই নগ্ন দেহত বালিৰ এই অনুভূতি... অদ্ভুত অনন্য— [৬] (নী.ব্ৰ.পৃ-৭৭)

সৌদামিনী যেতিয়া দেউতাক ডাক্তৰ ৰায়চৌধুৰীৰ চিকিৎসালয়ত ৰোগীৰ শুশ্ৰূষা কৰি ভাগৰি পৰিছিল তেতিয়া তাইৰ মুখত অৱৰ্ণনীয় ক্ষোভৰ চিহ্ন দেখা গৈছিল। স্খলিত কণ্ঠৰে তাই চিঞৰি চিঞৰি কৈছিল— "মোৰ গোটেই জীৱনটো মই এনেদৰে আনৰ দয়াপৰৱশ হৈ কটাব নোৱাৰোঁ— মই মহীয়সী নহওঁ যে তোমালোকৰ দৰে জনকল্যাণমূলক কাম কৰি মই মোৰ গোটেই জীৱন অতিবাহিত কৰিব পাৰিম। মই স্বাধীন। মই কাকো ভয় নকৰোঁ... তোমালোকে যদি মই সলনি হোৱা বুলি ভাবিছা তেতিয়াহ'লে... [৭] (নী.ব্ৰ.পৃ-৫৪) এনেদৰে দেউতাক ৰায়চৌধাৰীলৈ আঙুলি টোৱাই সৌদামিনীয়ে তেওঁলোকক ভণ্ড আৰু কছাইৰ লগত ৰিজনি দিছে। ইয়াৰ মাজেৰে নাৰীবাদৰ প্ৰকাশ ঘটিছে। ঔপন্যাসিকে সৌদামিনীৰ এই ৰূপক হত কপৌ চৰাইৰ লগত তুলনা কৰি নাৰীৰ দৰেই যে পিতৃতান্ত্ৰিক সমাজত প্ৰকৃতিয়ে শোষিত হয় তাক বৰ্ণনা কৰিছে। লগে লগে প্ৰকৃতি নাৰীবাদৰ অনুভূতি উপন্যাসখনত পোৱা হৈছে। "হত কপৌৰ দৰে তাই কিছু সময় ছট্‌ফটাবলৈ ধৰিলে।[৮] (নী.ব্ৰ. পৃ-৫৪)

উপন্যাসখনত মামণি ৰয়ছম গোস্বামীয়ে ৰাধা আৰু যশোদাৰ প্ৰকৃতি প্ৰীতি সম্পৰ্কে বৰ্ণনা কৰিছে। প্ৰকৃতি জগতৰ গছ-গছনি, পশু-পক্ষীৰ লগত থকা ৰাধা আৰু যশোদাৰ আত্মীয়ভাৱে নাৰীয়ে পুৰুষৰ তুলনাত অধিক প্ৰকৃতিৰ লগত সংস্পৃক্ত সেই কথাৰ প্ৰমাণ দাঙি ধৰে। "গকুলচন্দ্ৰই 'দাবানল ভক্ষণ' কৰা কেৰাৰি বন, যশোদাই গোদান কৰা গোপাল বন, ৰাধাই সকীসকলৰ সৈতে নিজ হাতে পুৰুপবৃক্ষ ৰোপণ কৰা ৰাধাবাৰ্গ। হৰিদাস স্বামীৰ মানসবন-নিধুবন। আৰু সেই অতীৰ ৰমণীৰ নিকুঞ্জবন। য'ত বগা ফুলৰ জোপোহাবোৰে তলমূৰ কৰি ব্ৰজৰ অমূল্য ৰজ সাবটি আত্মহাৰা হৈ আছে। এটা সময়ত এই জোপোহাবোৰে ৰাধাৰ ভৰিৰ নুপূৰৰ দৰে ফুল প্ৰসৰ কৰে আৰু গভীৰভাৱে কাণ পাতি থাকিলে ভাব হয়— সেই 'ঝন ঝন অলৌকিক শব্দেৰে যেন ব্ৰজৰ চৌদিশ মুখৰ হৈ আছে।' [৯] (নী.ব্ৰ. পৃ-৫৩)

ধৰ্মীয় দিশৰ পৰা চালে উপন্যাসখনত আমি মা লক্ষ্মীৰ অৱতাৰৰূপে ৰাধা আৰু যমুনা নদীক পূজা কৰাৰ প্ৰমাণ পাওঁ। ৰাধাঅষ্টমীত ৰাধাক পূজা কৰিবৰ বাবে বৃন্দাবনবাসীয়ে যথেষ্ট আয়োজন কৰে। 'জয় ৰাধাৰাণী জয়' শ্ল'গানেৰে বৃন্দাবন মুখৰিত হয়। কিন্তু সেই দেৱীসকলৰে নাৰীৰূপক তেওঁলোকে নানা অত্যাচাৰ কৰে। পেট ভৰাই এসাজ খাদ্যৰ বাবে বৃন্দাবনৰ বিধৱাসকল হাহাকাৰ কৰিব লগা হয়। এফালে ধৰ্মৰ নামত পুৰুষ সমাজে নাৰীৰূপী দেৱীক পূজা কৰে আৰু আনফালে ধৰ্মৰ নামতে বৈধব্য যন্ত্ৰণাত কেঁকাই থকা নাৰীক মানসিক অশান্তি দিয়ে। ইয়াৰ মাজেৰে লেখক সমাজত নাৰীস্থান সম্পৰ্কে ক'ব বিচাৰিছে। সৌদামিনী আৰু শশীৰ কথোপকথনৰ পৰা জানিব পৰা যায় যে বৃন্দাবনত কেৱল দৰিদ্ৰগ্ৰস্ত বিধৱাসকলৰ ওপৰতে অত্যাচাৰ হোৱা নাছিল, প্ৰাণী জগতৰ ওপৰতো অত্যাচাৰ চলিছিল। অৰ্থৰ বাবে যেনেদৰে বিধৱাসকলক মৃত্যুৰ পাছতো নিৰ্যাতন কৰিছিল ঠিক তেনেদৰে প্ৰাণীজগতকো অৰ্থৰ বাবেই ব্যৱহাৰ কৰিছিল।

"ঃ কি বিচাৰিছে সি?

ঃ সাপ।

শশীয়ে আকৌ এবাৰ হাঁহি মাৰি ক'লে ঃ সাপ। এৰা, সাপ বিচাৰিছে সি। সাপ ধৰিব আৰু মনে





মনে মানুহৰ ঘৰত সুমুৱাই দিব। তাৰ পিছত সিহঁতে নিজেই বেজ হৈ জাৰিব অৰ্থাৎ সাপটো ঘৰৰ পৰা উলিয়াই দিয়াৰ পুৰস্কাৰস্বৰূপে মালিকৰ পৰা মুদ্ৰা সংগ্ৰহ কৰিব।" [১০] (নী.ব্ৰ. পৃ-৪৭)

তদুপৰি সৌদামিনীয়ে বৃন্দাবনৰ সিংহদুৱাৰৰ সন্মুখত এজন ব্যক্তিয়ে বিভিন্ন জন্তুৰ পৰা সংগ্ৰহ কৰা সামগ্ৰী বিক্ৰী কৰি থকা দেখিছিল। ইয়াৰ পৰা বুজিব পাৰি যে ব্ৰজধামত নাৰীৰ দৰে প্ৰকৃতি তথা প্ৰাণীজগত সুৰক্ষিত নাছিল। উপন্যাসখনত কেইবা ঠাইতো সৌদামিনীৰ মানসিক অৱস্থাক প্ৰতীকাত্মকভাৱে এডাল সাপৰ লগত তুলনা কৰিছে। সমাজৰ নিষ্ঠুৰতাই যেনিবা সৌদামিনীক হত্যা কৰি তাইৰ ছাল চেলাই পেলাইছে, এনে ইংগিত বহন কৰিছে উপন্যাসৰ অ'ত ত'ত সৌদামিনীয়ে দেখা পোৱা সাপৰ অৱস্থাবোৰে। "এদিন পুৰা শুকান কাগজত খৰ খৰণিৰ দৰে শব্দ এটি শুনি সৌদামিনী সাৰ পাই উঠিল। ...ওপৰত কাঠ আৰু ভগ্ন ইটাৰ সুৰঙ্গেৰে বাহিৰলৈ ওলাই আহিছে এডাল গোক্ষুৰ সাপ।"[১১] (নী.ব্ৰ, পৃ-৭৩) কেতিয়াবা আকৌ সাপডাল সৌদামিনীৰ জৈৱিক লিপ্সাৰ অবিৰত প্ৰৱাহৰ প্ৰতীক হৈ ধৰা দিছে। "আজি পুৱাই মাখন বৰণীয়া সাপটোৱে সৌদামিনীৰ কোঠাৰপৰা ওলাই গৈ আখৰাৰ মানুহক ভ্ৰূক্ষেপ নকৰি পানী খোৱা কুঁৱাৰ ওচৰলৈ গৈ আকৌ উভতি আহিল।[১২] (নী.ব্ৰ. পৃ-১১৬) উপন্যাসখনত সৌদামিনীক শাৰীৰিক আৰু মানসিকভাৱে সমাজে বাৰে বাৰে অত্যাচাৰ কৰিছে। তাইৰ এই অৱস্থাক ঔপন্যাসিকে ছাল এৰোৱা এডাল সাপৰ লগত তুলনা কৰিছে। "মন্ত্ৰমুগ্ধ হোৱাৰ দৰে তাই মানুহটোৰ ওচৰলৈ আগবাঢ়ি গ'লে। মানুহটোৱে মৰা সাপটোৰ ছাল এখন এৰুৱাই আছে। ছাল নোহোৱা সাপটোৰ দেহ আঁৰি মাছৰ দেহৰ দৰে ওলমি পৰিছে। কোনোবাই যেন তাইৰ দেহত চাবুকৰ কোব বহুৱাই দিলে। ক'ৰ সাপ এইটো? ক'ৰ সাপ? ঃ মই চিনি পাইছো— এইটো দশৰথ আখৰাৰ বুঢ়া সাপ। গোক্ষুৰ সাপ।"[১৩] (নী.ব্ৰ. পৃ-১১৯)

এনেদৰে চালে দেখা যায় যে পবিত্ৰ ব্ৰজধাম য'ত নাৰীক দেৱীৰূপে পূজা কৰে আৰু আনফালে অসহায় নাৰীক নিজৰ স্বাৰ্থৰ বাবে ব্যৱহাৰ কৰে। ঔপন্যাসিকে ইয়াত নাৰী আৰু প্ৰকৃতিক দুটা ভিন্ন সংজ্ঞাৰে নাবান্ধি নাৰীকে প্ৰকৃতি বুলি কৈছে। সেই নাৰীৰূপী প্ৰকৃতিক পুৰুষপ্ৰধান সমাজে কৰা অৱহেলা আৰু আঘাতক মৰ্মস্পৰ্শী ৰূপত প্ৰকাশ কৰিছে।

**উপসংহাৰ ঃ**

'নীলকণ্ঠী ব্ৰজ' উপন্যাসখনৰ জৰিয়তে মামণি ৰয়ছম গোস্বামীয়ে প্ৰকৃতি আৰু নাৰীৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰিছে। পিতৃতান্ত্ৰিক সমাজত সময়ে সময়ে পুৰুষে নিজৰ লাভালাভৰ বাবে প্ৰকৃতি আৰু নাৰীক যে ব্যৱহাৰ কৰি আহিছে সেই কথা উপন্যাসখনত সুন্দৰকৈ ফুটি উঠিছে। সৌদামিনীৰ চৰিত্ৰৰ জৰিয়তে ঔপন্যাসিকে বিধৱা নাৰীৰ যন্ত্ৰণাকাতৰ জীৱনৰ জীয়া ছবি প্ৰকাশ কৰিছে। মানৱ সমাজত থাকিও সৌদামিনীয়ে প্ৰকৃতিৰ মাজতহে সুখ অনুভৱ কৰিছিল। কাৰণ প্ৰকৃতিয়ে ধৰ্ম, হিংসা, কপটতা নুবজে, বুজে কেৱল আত্মীয়তা। ধৰ্ম, বৰ্ণ আৰু জাতিৰ নামত সৌদামিনীৰ ওপৰত যি অত্যাচাৰ চলিছিল সেয়া যেন প্ৰতিখন সমাজৰে নিষ্ঠুৰ বাস্তৱতা। সৌদামিনীৰ দৰেই মৃণালিনী, শশীয়েও পুৰুষৰ বৰ্বৰতাৰ বলী হৈ দিন কটাবলগীয়া হৈছিল। নিজৰ সতীত্ব ৰক্ষাৰ বাবে শশীয়ে কৰা যুঁজখন আজিৰ প্ৰতিগৰাকী নাৰীৰেই যুঁজ।

**সিদ্ধান্ত ঃ**

❑ সাহিত্য আলোচনাৰ এক তাত্ত্বিক দৃষ্টিভংগী হিচাপে প্ৰকৃতি নাৰীবাদ বা পাৰিপাৰ্শ্বিক নাৰীবাদে আধুনিক অসমীয়া সাহিত্যত ক্ৰমে বিকাশ লাভ কৰি আহিছে — যাৰ জৰিয়তে প্ৰকৃতি আৰু নাৰীৰ অভিন্ন সম্পৰ্ক আৰু প্ৰকৃতি তথা নাৰীৰ ওপৰত চলা শোষণ আৰু তাৰ প্ৰতিবাদ সম্পৰ্কে জানিব পৰা গৈছে।

❑ বহু পুৰুষতান্ত্ৰিক সমাজত যে এতিয়াও নাৰী আৰু প্ৰকৃতি সুৰক্ষিত নহয়; মানুহৰ স্বাৰ্থৰ বলি হ'বলগীয়া হৈছে সেয়া উপন্যাসখনে সোঁৰৰাই দিছে।

❑ ঔপন্যাসিকৰ ব্যক্তিগত অভিজ্ঞতাৰে নাৰী হিচাপে নাৰীৰ মনোজগতৰ যি বৰ্ণনা কৰিছে সেয়া অতি মৰ্মস্পৰ্শী। লগতে ঔপন্যাসিকৰ প্ৰকৃতিপ্ৰীতিৰো উমান উপন্যাসখনত পোৱা যায়।

❑ প্ৰকৃতি নাৰীবাদৰ মূল উদ্দেশ্য হৈছে সাহিত্যৰ মাজেৰে নাৰী আৰু প্ৰকৃতিৰ সম্পৰ্ক নিৰূপণ কৰা আৰু পুৰুষৰ অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰা। উপন্যাসখনত নাৰী আৰু প্ৰকৃতিৰ সু-সম্পৰ্ক প্ৰকাশ পাইছে যদিও প্ৰতিবাদী কণ্ঠ কিছু স্তিমিত যেন অনুভৱ হয়।

**পাদটীকা ঃ**

১। Mellor, Mary, Feminism and Ecology, New York up. 1997

২। গোস্বামী, মামণি ৰয়ছম, "নীলকণ্ঠী ব্ৰজ", গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ, ২০১৮ দ্বিতীয় সংস্কৰণ, পৃঃ ১১৭ মুদ্ৰিত

৩। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১০ মুদ্ৰিত

৩। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১৬ মুদ্ৰিত

৫। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৪২ মুদ্ৰিত

৬। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৭৭ মুদ্ৰিত

৭। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫৪ মুদ্ৰিত

৮। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫৪ মুদ্ৰিত

৯। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫৩ মুদ্ৰিত

১০। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৪৭ মুদ্ৰিত

১১। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৭৩ মুদ্ৰিত

১২। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১৬ মুদ্ৰিত

১৩। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১৯ মুদ্ৰিত

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

গোস্বামী, মামণি ৰয়ছম. *নীলকণ্ঠী ব্ৰজ*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশন, ২০১৮ মুদ্ৰিত।

নাথ, ভনিতা. *মামণি ৰয়ছম গোস্বামীৰ উপন্যাস বিচাৰ বিশ্লেষণ*, গুৱাহাটী ঃ পূৰ্বায়ন প্ৰকাশন, ২০২০ মুদ্ৰিত

Mellor, Mary. *Feminism and Ecology*, New York : up, 1997, print

কটকী, প্ৰফুল্ল. *স্বৰাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা*, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী, ২০১১ মুদ্ৰিত